**MOU Signed With Nikhil Rabha Sahitya Sabha** **DainikAgradut, 4th May, 2023, p.12**

# পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ-নিখিল ৰাভা সাহিত্য সভাৰ মাজত বুজাবুজি চুক্তি স্বাক্ষৰ



অগ্ৰদূত বাৰ্তা

**মাটিয়া ৩ মে'ঃ** শৈক্ষিক-সামাজিক আৰু গৱেষণাধৰ্মী কাম একেলগে কৰিবলৈ সহমতত উপনীত হৈ গোৱালপাৰা জিলাৰ আমজোংগাস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু নিখিল ৰাভা সাহিত্য সভাৰ মাজত অলপতে এক বুজাবুজি চুক্তি স্বাক্ষৰিত হয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৰজ্যোতি শৰ্মা, নিখিল ৰাভা সাহিত্য সভাৰ সম্পাদক ৰাজকুমাৰ ৰাভা, ৰাভা মহিলা লেখিকা সমিতিৰ সভানেত্ৰী ৰীতা ৰাভা, নিখিল ৰাভা সাহিত্য সভাৰ কাৰ্যালয় সম্পাদক দণ্ডেসিং ৰাভা আৰু মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ অধ্যাপক- অধ্যাপিকাসকলৰ উপস্থিতিত যোৱা ২৮ এপ্ৰিলত মহাবিদ্যালয়ৰ অধ্যক্ষৰ কক্ষত উক্ত বুজাবুজিৰ চুক্তিত স্বাক্ষৰ হয়। নিখিল ৰাভা সাহিত্য সভাই পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ স'তে মিলি শৈক্ষিক-সামাজিক আৰু গৱেষণাধৰ্মী কাম একেলগে কৰিবলৈ সহমতত উপনীত হৈ এই বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে। শিক্ষাৰ্থীৰ লগতে আন আন ভাষা-ভাষীৰ সমাজখনক পোনপটীয়াকৈ উপকৃত কৰিব পৰাকৈ অধ্যক্ষ ড° নৰজ্যোতি শৰ্মাই ৰাভা ভাষাৰ এটি ডিপ্ল'মা চাৰ্টিফিকেট পাঠ্যক্ৰম আমজোংগাস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগত মহাবিদ্যালয়খনত খুলিব লাগে বুলি ব্যক্ত কৰে।